# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## সোমবাৰ, ৬ জুলাই, ২০২৬

গৃহ ও ৰাজনৈতিক, লোক নিৰ্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), লোক নিৰ্মাণ (পথ সমূহ), শক্তি, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী আৰু অন্য কোনো মন্ত্ৰীৰ ওপৰত ন্যস্ত নকৰা আন সকলো বিভাগ। ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ, হস্ততাঁত বস্ত্ৰ আৰু ৰেচম, ক্ৰীড়া আৰু যুৱ কল্যাণ, দক্ষতা, নিয়োগ ও উদ্যমিতা, খিলঞ্জীয়া ও জনজাতি বিশ্বাস ও সংস্কৃতি, পশুপালন ও পশু চিকিৎসা, মীন।

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **শ্ৰমিক সকলৰ ভূমি পট্টা**

ডাঃ আছিফ মোঃ নাজাৰ ঃ

* ১। মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ বাগিচাৰ শ্ৰমিক সকলক বাগিচাৰ লাইনৰ মাটিৰ ভূমিৰ পট্টা আৱণ্টনৰ বাবে চৰকাৰে লোৱা পদক্ষেপ কি পৰ্য্যায়ত আছে? বৰ্তমানলৈ কিমান শ্ৰমিকক লাইনৰ মাটিৰ পট্টা আৱণ্টন দিয়া হৈছে?

(খ) চাহ বাগিচাৰ শ্ৰমিকৰ বৰ্তমান মজুৰি কিমান? ৫৫১ টকালৈ চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ বাবে বাগিচাৰ কৰ্তৃপক্ষক চৰকাৰে কিয় বাধ্য কৰাব পৰা নাই?

(গ) চাহ শ্ৰমিকৰ প্ৰাপ্ত PF ৰ ধন অনাদায় হৈ আছে নেকি? অনাদায় হৈ থকা বাগিচা সমূহৰ তালিকা, কেতিয়াৰ পৰা অনাদায় হৈ আছে সম্পূৰ্ণ তথ্য দিব।

*বিষয় ঃ* **খিলঞ্জীয়া জাতি জনগোষ্ঠী**

শ্ৰী হিমাংশু শেখৰ বৈশ্য ঃ

* ২। মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস ও সংস্কৃতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ খিলঞ্জীয়া জাতি-জনজাতীয়

লোকসকলৰ চহকী ঐতিহ্যপূৰ্ণ সংস্কৃতি সমূহ বৰ্তমান নিখোজ হ'বলৈ যোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, এই সংস্কৃতি সমূহ সংৰক্ষণ কৰিবলৈ চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? জনাব।

*বিষয় ঃ* **অসম মালাৰ ২.০ অধীনত নিৰ্মিত ডিগবৈ, পেঙেৰী, মহং হৈ অসম অৰুণাচল সীমান্তৱৰ্তী বৰডুমচা সংযোগী পথ নিম্নমানত নিৰ্মিত সম্পৰ্কে।**

শ্ৰী সুৰেণ ফুকন ঃ

* ৩। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিত অসম মালা ২.০ অধীনত ব্ৰহ্মজান, পেঙেৰী আৰু ডিগবৈ অংশৰ ২০ কিলোমিটাৰ পথচোৱাৰ বাবে ১৩৩ কোটি টকা আৱণ্টন দিয়াৰ পিছতো অতি নিম্ন মানদণ্ডৰে নিৰ্মাণ কৰা বুলি চৰকাৰ অৱগত নে? যদি অৱগত, চৰকাৰে তদন্তৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে? (বিতংভাৱে জনাব)

(খ) এই ঠিকাদাৰ প্ৰতিষ্ঠানৰ গাড়ীৰে দূৰ্ঘটনা কৰি দুজনকৈ মানুহ মৃত্যুমুখত পৰাৰ লগতে বিভাগীয় নীতি নিৰ্দেশনাক অমান্য কৰি অতি নিম্ন মানৰ কামেৰে চৰকাৰী ধনৰ অপব্যৱহাৰ কৰা দুই ঠিকাদাৰ ক্ৰমে মতলেবুদ্দিন আহমেদ আৰু ভাস্কৰ গোস্বামী আৰু তেওঁলোকৰ মালিকনাধীন ঠিকাদাৰী প্ৰতিস্থান পি.বি.পি.এলৰ বিৰুদ্ধে কিবা বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিব নেকি? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **অসমত অপৰাধীৰ সংখ্যাৰ সম্পৰ্কে**

শ্ৰী অখিল গগৈ ঃ

* ৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১ জুলাই ২০২৪ ৰ পৰা 'ভাৰতীয় ন্যায় সংহিতা' কাৰ্য্যকৰী হোৱাৰ পাছৰে পৰা চলিত ২০২৬ বৰ্ষৰ ৩০ জুনলৈকে, পূৰ্বৰ IPCৰ 'Cognizable' ধাৰাৰ বিপৰীতে BNS-ৰ অধীনত 'Non-congnizable' বা কেৱল NC শ্ৰেণীত পঞ্জীয়ন কৰা গোচৰৰ জিলাভিত্তিক আৰু বৰ্ষভিত্তিক খতিয়ান কিমান?

(খ) চলিত 2026 চনত চৰকাৰে অসমত অপৰাধৰ হাৰ 28 শতাংশ হ্ৰাস পাইছে বুলি যি চৰকাৰী দাবী কৰিছে, সেই পৰিসংখ্যা প্ৰস্তুত কৰোতে কেৱল নিয়মীয়া এজাহাৰ (FIR) সমূহকহে গণনা কৰা হৈছে নে থানাসমূহত পঞ্জীয়ন হোৱা প্ৰতিটো GD Entry আৰু NC গোচৰৰ সংখ্যাকো ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে? গৃহ বিভাগ আৰু SCRB-ৰ ডাটা সংগ্ৰহৰ সুনিৰ্দিষ্ট নীতিটো কি? জনাব।

(গ) কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ 'Mandatory Registration of FIR' ৰ নিৰ্দেশনা উলংঘা কৰি ভুক্তভোগীৰ পঞ্জীয়ন নকৰা জিলাভিত্তিক গোচৰৰ সংখ্যা দাখিল কৰিব আৰু 'Burking of Crime' কৰাৰ অভিযোগত বিগত পাঁচ বছৰত অসমৰ কিমানখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে? তাৰ সবিশেষ তথ্য দাখিল কৰিব।

*বিষয় ঃ* **১১৯ নং সোনাই বিধানসভা সমষ্টির পূর্ত বিভাগ সম্পর্কে।**

শ্রী আমিনূল হক লস্কর ঃ

* ৫। মাননীয় পূর্ত বিভাগ (রাস্তা) মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ১১৯ নং সোনাই বিধানসভায় বিগত দিনে আসাম মালা প্রকল্পের আওতায় কি কোনো কাজ করা হয়েছে? যদি করা না হয় তবে কেন?

(খ) সোনাই পৌরসভার ভিতরে পূর্ত বিভাগ এবং সোনাই ব্লক প্রাইমারি হেলথ সেন্টারের সন্মুখে পূর্ত বিভাগের খাস জমিতে কে বা কারা স্থায়ীভাবে দোকান পাট নির্মাণ করেছেন। পূর্ত বিভাগ এই নির্মাণ কাজের জন্য কি কোনো এন. ও. সি দিয়েছেন?

(গ) সোনাই পৌরসভায় পূর্ত বিভাগের খাস জমিতে নির্মাণ কাজ যদি অবৈধ হয় তবে এইটার বিরুদ্ধে বিভাগ কি পদক্ষেপ নিয়েছেন?

*বিষয় ঃ* **সমজিলাৰ অন্তৰ্গত গাঁও সমূহ উক্ত জিলাৰ অন্তৰ্গত কৰি পুলিচ প্ৰশাসনৰ ব্যৱস্থা কৰা।**

শ্ৰী ভবেশ কলিতা ঃ

* ৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

গৃহ বিভাগে সমজিলা অন্তৰ্গত গাঁও সমূহ সংশ্লিষ্ট জিলাৰ অন্তৰ্গত কৰি পুলিচ প্ৰশাসনৰ ব্যৱস্থা কৰিব নেকি?

*Subject :* **NH 127 A repairing**

Shri Thaneswar Basumatary :

* 7. Will the Minister of PWD (Building & National Highway) Department be pleased to state :

Is the Govt. aware that the NH-127 a Indo-Bhutan Border Road Starting from Pathsala to Nanglam Road particularly 6 km from Hwkhi Bazar to Bhutan Border (part) is in dilapidated condition. if so, will the Govt. take immediate measures to repair?

*বিষয় ঃ* **অসমীয়া জাতি সত্বাৰ স্বাভিমান থলুৱা গামোচাৰ সংৰক্ষণ আৰু প্ৰচাৰ প্ৰসাৰৰ সন্দৰ্ভত।**

শ্ৰী দীপক কুমাৰ দাস ঃ

* ৮। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমীয়া জাতি সত্বাৰ স্বাভিমান আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক থলুৱা গামোচাৰ সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰৰ বাবে চৰকাৰে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদিহে কৰিছে, কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **মৰিয়নিৰ পৰা দিচৈলৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথ সম্পৰ্কে।**

মোঃ নুৰুল হুদা ঃ

* ৯। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৭০২ ডি ৰাষ্ট্ৰীয় ঘাইপথৰ মৰিয়নিৰ পৰা দিচৈ (ভোগদৈ দলং) লৈকে প্ৰায় ২২ কি. মি. পথ অংশ অসম চৰকাৰৰ অধীনত আছে নেকি?

খ) চ্যুটা পেলা গেটৰ দিচৈলৈকে প্ৰায় ১৫ কি.মি. পথ অংশ নাগালেণ্ড চৰকাৰক চমজাই দিয়া হৈছে বুলি প্ৰচলিত কথাটো সত্য নেকি? যদি সত্য, উক্ত পথ অংশ কেতিয়া, কি ভিত্তিত আৰু কি কাৰণত নাগালেণ্ড চৰকাৰক চমজাই দিয়া হৈছিল?

গ) এই সম্পৰ্কে অসম চৰকাৰৰ ওচৰত থকা নথি-পত্ৰ, চুক্তি অথবা চৰকাৰী আদেশৰ সবিশেষ তথ্য জনাব।

*বিষয়ঃ* **ট্ৰেন্সফৰ্মাৰ সম্পৰ্কে**

শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ

* ১০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত বৰ্তমান উপভোক্তাই দৈনিক গড়ে কিমান ঘণ্টা বিদ্যুৎ যোগান পাই আছে জনাব।

খ) পাকা বেতবাৰী সমষ্টিৰ বিভিন্ন গাঁওসমূহ কোন কোন কাৰ্য্যাবাহী অভিযন্তাৰ কাৰ্য্যালয়ৰ (SDE) এলেকাধীন হয়, সেই তালিকা দিব।

গ) পাকা বেতবাৰী সমষ্টিৰ কোনো অঞ্চল বা গাঁও এতিয়াও বৈদ্যুতিকৰণৰ পৰা বঞ্চিত হৈ আছে নেকি? যদি আছে, তাৰ তালিকা দিব আৰু কেতিয়া এই সমূহ অঞ্চল বৈদ্যুতিকৰণ কৰা হ'ব? জনাব।

ঘ) পাকা বেতবাৰী সমষ্টিত কিমান ট্ৰেন্সফৰ্মাৰ আছে? তাৰ তালিকা দিব। এই ট্ৰেন্সফৰ্মাৰসমূহৰ শ্ৰেণীবিভাজন হিচাপে (KVA) সংখ্যা উল্লেখ কৰিব।

ঙ) উক্ত সমষ্টিৰ কোন কোন ট্ৰেন্সফৰ্মাৰৰ অধীনত কিমান উপভোক্তা আছে তাৰ সংখ্যা উল্লেখ কৰি তালিকা দিব। উপভোক্তা হিচাপে প্ৰয়োজনীয় ক্ষমতাসম্পন্ন ট্ৰেন্সফৰ্মাৰৰ অভাৱ হৈ থকা ঠাইত কেতিয়া উচ্চ ক্ষমতাসম্পন্ন ট্ৰেন্সফৰ্মাৰ যোগান ধৰা হ'ব? জনাব।

চ) পাকা বেতবাৰী সমষ্টিত কোনোবা ঠাইত ট্ৰেন্সফৰ্মাৰ বিকল হৈ আছে নেকি? যদি আছে, এই বিকল ট্ৰেন্সফৰ্মাৰ কেতিয়া সচল কৰা হ'ব? জনাব।

ছ) পাকা বেতবাৰী সমষ্টিৰ ভক্তৰডবা (নলীগাঁৱত) পাৱাৰ ছাব ষ্টেচন নিৰ্মাণৰ কামৰ অগ্ৰগতিৰ বিষয়ে জনাব।

*বিষয়ঃ* **ৰাস্তা আৰু দলং সম্পৰ্কে**

মোঃ আশ্ৰাফুল ইছলাম শ্বেখ ঃ

* ১১। মাননীয় লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) এতিয়ালৈকে সাপতগ্ৰামৰ পৰা ভেলাকবা ৰাস্তা / দলংখন কিয় সম্পূৰ্ণ হোৱা নাই? তথ্য সহকাৰে সদনত জনাব।

খ) এতিয়ালৈকে কিয় চুপাৰিঘাটৰ পৰা কাজি গাঁৱৰ ৰাস্তাটো সম্পূৰ্ণ হোৱা নাই? তথ্য সহকাৰে সদনত জনাব। উক্ত কামবোৰ সম্পূৰ্ণ হওঁতে আৰু কিমান সময় লাগিব আৰু যদি নহয় কিয় নহয় তথ্য সহকাৰে সদনত জনাব।

*Subject :* **Administrative control transferred on the BTC Jurisdiction for the newly included villages.**

Shri Maheswar Baro :

*12. Will the Minister of Home and Political Department be pleased to state :

(a) Whether the newly included villages in the BTC area fall under its

administrative jurisdiction ? If so, whether their administrative control has been transferred ?

(b) If the administrative control has not been transferred yet, inform the reason thereof.

(c) Kindly furnish the policy framework guidelines for the administrative transfer of these specific villages.

*বিষয় ঃ* **অপৰাধমূলক ঘটনা সম্পৰ্কে**

শ্ৰী নুৰুল ইছলাম ঃ

* ১৩। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ২০২১ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৬ চনৰ ৩০ জুনলৈ অসমত কিমানটা চুৰি, ডকাইতি, হত্যা, দলবদ্ধ আক্ৰমণ, প্ৰতাৰণা আৰু অন্যান্য অপৰাধমূলক ঘটনা সংঘটিত হৈছে? (উত্তৰৰ সৈতে শ্ৰেণী ভিত্তিক অপৰাধৰ থানা ভিত্তিক তালিকা পৃথকে পৃথকে দাখিল কৰিব।)

(খ) উক্ত অপৰাধমূলক ঘটনা সন্দৰ্ভত এতিয়ালৈকে কিমানটা গোচৰ পঞ্জীয়ন হৈছে? ইয়াৰে কিমানটা অপৰাধমূলক ঘটনাৰ বাবে এতিয়ালৈ আৰক্ষীয়ে অভিযোগনামা দাখিল কৰিছে? (উত্তৰৰ জিলাভিত্তিক আৰু অপৰাধমূলক কাৰ্য্যৰ শ্ৰেণী ভিত্তিক বিস্তৃত তালিকা দাখিল কৰিব।)

(গ) উক্ত অপৰাধমূলক কাৰ্য্যৰ সৈতে জড়িত কিমানজন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে? ইয়াৰে কিমানজন লোক বিচাৰ প্ৰক্ৰিয়াৰ মাজেৰে শাস্তিপ্ৰাপ্ত হৈছে? (উত্তৰৰ সৈতে আটকাধীন অভিযুক্ত আৰু শাস্তি প্ৰাপ্ত অপৰাধীৰ জিলাভিত্তিক বিস্তৃত তালিকা সংলগ্ন কৰিব।)

(ঘ) এনে অপৰাধমূলক ঘটনা নিয়ন্ত্ৰণৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (উত্তৰৰ সৈতে বিস্তৃত তথ্য সংলগ্ন কৰিব)।

*বিষয় ঃ* **পকি (PUCCA/RCC) দলং নিৰ্মাণ সম্পৰ্কে**

শ্ৰী মজিবুৰ ৰহমান ঃ

* ১৪। মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪ চনৰ এপ্ৰিল মাহতে দলগাঁও সমষ্টিৰ দুখন পকী দলং নিৰ্মাণ কৰি দিবৰ বাবে পত্ৰ দিছিলো। সেই দলং দুখন নিৰ্মাণ কৰিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি? যদি লৈছে, কেতিয়ালৈকে উক্ত দলং দুখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব?

(খ) দলগাঁও আৰু ওদালগুৰি জিলাৰ পুৰণা কলাইগাঁও বিধানসভা সমষ্টিৰ মাজত সংযোগী বৰুৱাঝাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ১/২নং বৰুৱাঝাৰ গাঁৱৰ আমতলাত থকা (Missing Link) ত আৰ. চি. চি (RCC BRIDGE OVER TANGNI RIVER) দলং খন দুয়োটা সমষ্টিৰ বৃহৎ সংখ্যক স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ যাতায়ত সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰাৰ কিবা পদক্ষেপ গ্ৰহণ কৰিব নেকি? তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **পথ মেৰামতি**

শ্ৰী মহিবুৰ ৰহমান ঃ

* ১৫। মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আগিয়াৰ পৰা ফুলবাৰী হৈ হাটশিঙিমাৰী সংযোগী পথচোৱাৰ কোন কোন অংশ ৰাষ্ট্ৰীয় ঘাই পথৰ শিতানত সন্নিবিষ্ট কৰা হৈছে আৰু কোন কোন অংশ লোক নিৰ্মাণ বিভাগৰ অধীনত আছে?

(খ) উক্ত বিধ্বস্ত পথটো মেৰামতি তথা পুনৰ নিৰ্মাণৰ বাবে বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(গ) যদি মেৰামতি তথা পুনৰ নিৰ্মাণৰ বাবে পৰিকল্পনা কৰিছে তেন্তে ই কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব?

*বিষয় ঃ* **নিয়োগ আৰু নিবনুৱা সম্পৰ্কে**

শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ১৬। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগৰ জৰিয়তে অসম চৰকাৰে কি কি উন্নয়নমূলক আঁচনি / কাৰ্য্যপন্থা হাতত লৈছে আৰু ইয়াৰে কি কি আঁচনি / কাৰ্য্যপন্থা কাৰ্য্যক্ষম হৈ আছে? সবিশেষ সদনৰ মজিয়াত জনাব।

(খ) ধুবুৰী জিলাত বিভাগৰ কি কি আঁচনি তথা দক্ষতা বিকাশৰ বাবে কি কি আঁচনি / কৰ্মপন্থা চলি আছে? সবিশেষ সদনত জনাব।

(গ) ধুবুৰী জিলাত শিক্ষিত নিবনুৱাসকলক দক্ষতা বিকাশৰ বাবে উপযুক্ত প্ৰশিক্ষণ দিয়া হয়নে? যদি হয়, সমষ্টিভিত্তিক তথ্য সদনত জনাব। যদি নহয়, অহা দিনত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব নে?

(ঘ) গৌৰীপুৰ সমষ্টিত দক্ষতা বিকাশৰ বাবে যথেষ্ট শিক্ষিত ইচ্ছুক নিবনুৱা আছে, সেই সকলক প্ৰশিক্ষণ দিয়াৰ বাবে অতি কমেও দুখন প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰয়োজন। চৰকাৰ / বিভাগে উক্ত প্ৰশিক্ষণ কেন্দ্ৰদ্বয়ৰ কথা ভাবিছে নে?

(ঙ) এই বিভাগে শিক্ষিত নিবনুৱাসকলক কৰ্মসংস্থাপনৰ উপৰিও কোনো হিতাধিকাৰী আঁচনিৰ জৰিয়তে সহায় কৰি আছে নেকি? যদি আছে, যোৱা তিনি বছৰত ধুবুৰী জিলাত কি কি আৰু কাক কাক হিতাধিকাৰী আঁচনি প্ৰদান কৰা হৈছে? সবিশেষ সদনত জনাব।

(চ) গোটেই অসম তথা ৭ নং গৌৰীপুৰ সমষ্টিত যোৱা ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমানজন পঞ্জীয়নভুক্ত শিক্ষিত নিবনুৱা আছে আৰু তাৰে কিমানজন শিক্ষিত নিবনুৱাক নিযুক্তি প্ৰদান কৰিছে? বিত্তীয়বৰ্ষ অনুযায়ী, বিভাগ অনুপাতে নিযুক্তি দিয়াৰ সবিশেষ সমষ্টিভিত্তিক তালিকা সদনত জনাব।

*Subject :* **Severe disruptions caused to Guwahati Barak Vally road link every monsoon.**

Shri Aminur Rashid Choudhury :

* 17. Will the Minister of PWD (National Highways) Department be pleased to state :

a) Whether the Government is

aware of the severe disruptions caused to the Guwahati to Barak Valley road link, via Meghalaya and Halflong during every monsoon, where even minor rainfall cuts of the entire Barak valley ?

b) What permanent, weather-resilient engineering measures are being taken or proposed to address the frequent landslides and road cave -ins along this crucial transit corridor ?

c) Whether the Govt. will provide a time line and the budget allocation for the ongoing maintenance and permanent upgradation of the National Highways connecting Barak valley/ Sribhumi to the rest of the state ?

*বিষয় ঃ* N.H. 06 **রাস্তা উন্নয়ন সম্পর্কিত**

শ্রী কমলাক্ষ দে পুরকায়স্থ ঃ

* ১৮। মাননীয় লোক নির্মাণ (গৃহ ও রাষ্ট্রীয় ঘাইপথ সমূহ) বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) মালিডোর থেকে বদরপুর (N.H.06) সড়কের উন্নয়নের জন্য মোট কত অর্থ অনুমোদিত (Sanctioned) হয়েছে? উক্ত প্রকল্পের কাজ কবে থেকে শুরু হওয়ার সম্ভবনা রয়েছে? অনুগ্রহ করে বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

(খ) এই সড়কে নিয়মিত ভারী যানবাহন চলাচল করে, ফলে রাস্তা দীর্ঘদিন টেকসই থাকে না। তাই দীর্ঘস্থায়ী ও মজবুত সড়ক নির্মাণের লক্ষ্যে আধুনিক প্রযুক্তি ব্যবহার করে এই রাস্তা নির্মাণের কোনো সরকারি পরিকল্পনা রয়েছে কি? যদি থাকে, তবে তার বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

(গ) ভারতমালা নির্মাণ প্রকল্পের অধীনে বদরপুর-মালুয়া বাইপাস এবং বাগিমারা বাইপাসের নির্মাণ কাজ কবে শেষ হবে? উক্ত প্রকল্পগুলির বর্তমান অগ্রগতি এবং সম্ভাব্য সমাপ্তির সময়সীমা সম্পর্কে সদনে বিস্তারিত তথ্য প্রদানের অনুরোধ জানাই।

(ঘ) অসমমালা প্রকল্পের অধীনে জয়ন্তিয়া-কালাইন সড়কের বেহাল অবস্থার বিষয়ে সরকার কি অবগত?

(ঙ) যদিও অসমমালা প্রকল্পের অধীনে উক্ত সড়কের উন্নয়ন কাজ অনুমোদিত হয়েছে এবং পুনরায় দরপত্র (Retender) আহ্বান করা হয়েছে, তবুও আজ পর্যন্ত কাজ শুরু হয়নি। এই প্রকল্পের কাজ কবে থেকে শুরু হবে?

(চ) পুনঃ দরপত্রের মাধ্যমে কাজটির জন্য মোট কত অর্থ অনুমোদিত হয়েছে? অনুগ্রহ করে বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **RCC Bridge সম্পর্কে**

শ্রী আফতাব উদ্দিন মোল্লা ঃ

* ১৯। মাননীয় লোক নির্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ মূল ৰাস্তাবোৰৰ মাজত অন্যতম গুৰুত্বপূৰ্ণ ৰাস্তা লক্ষীপুৰ, জলেশ্বৰ ৰোড, ৰাজমিতা তাৰাংগাপুৰ ৰোড আৰু হাসডোবা কলাবাৰী ৰোড কেইটাত

তিনিটা RCC Bridge ৰ কাম 2023/24 চনৰ পৰাই চলি আছে, কিন্তু আজিলৈকে এটাকে Poll বা pile ৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, Bridge কেইটাৰ allotment cancel কৰি re allotmentৰ ব্যৱস্থা কৰি দিয়া সম্ভৱ হ'ব নে? যদি হয় কেতিয়া হ'ব?

*বিষয়ঃ* **বৈদ্যুতিকৰণ**

শ্ৰী বিজয় কুমাৰ গুপ্তা ঃ

* ২০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩৬ নং মধ্য গুৱাহাটী সমষ্টিৰ বৰ্তমানলৈকে বিভিন্ন অঞ্চলত, বিশেষকৈ পাহাৰীয়া এলেকাত বিদ্যুৎ সংযোগৰ কোনো ব্যৱস্থা হোৱা নাই, ইয়াৰ ফলত বিশেষকৈ ৰাতিৰ সময়ত বহু লোক চিতাবাঘৰ আক্ৰমণৰ বলি হ'বলগীয়া হৈছে আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে সন্ধিয়া সময়ত ভয়মুক্তভাৱে অহা-যোৱা কৰিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। লগতে উক্ত অঞ্চলসমূহত পথ-চাকি (Street Lights) ৰো চৰম অভাৱ থকাটো বিভাগ অৱগত নে?

খ) যদি অৱগত, তেন্তে জনসাধাৰণৰ অতি প্ৰাথমিক প্ৰয়োজনসমূহৰ ভিতৰত অন্যতম এই বিদ্যুৎ সংযোগ আৰু পথ চাকিৰ ব্যৱস্থা কৰাৰ বাবে উক্ত অঞ্চলবোৰত জৰুৰীভাৱে পদক্ষেপ গ্ৰহণ কৰিবনে? যদি কৰে, তেন্তে কেতিয়া কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব?

A.G.P. (Mini) LAQ - 01/2026/707-600-30-06-2026